# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-09-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin
**::::::::::::::::::::::::::::::**

বিশ্ব পৰ্যটন দিৱস উপলক্ষে আজি কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ উদ্যোগত দেশৰ বিভিন্ন প্ৰান্তত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পৰ্যটন মন্ত্ৰালয়ে গ্ৰাম্য পৰ্যটনৰ প্ৰসাৰৰ উদ্দেশ্যে অনুষ্ঠিত কৰা শ্ৰেষ্ঠ পৰ্যটন গাঁও প্ৰতিযোগিতা ২০২৪ত অসমৰ শুৱালকুছিয়ে শিল্প শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰিছে। উল্লেখযোগ্য যে যোৱা বছৰ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাত দেশৰ মুঠ ৭৯৫খন গাঁৱে অংশগ্ৰহণ কৰাৰ বিপৰীতে এইবাৰ মুঠ অংশগ্ৰহণকাৰী গাঁৱৰ সংখ্যা ৯৯১ খনলৈ বৃদ্ধি পাইছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৫খন ৰাজ্যকে ধৰি মুঠ ৩০ খন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ এই গাঁওসমূহৰ ৩৬ খনে বিভিন্ন শিতানত শ্ৰেষ্ঠ বিবেচিত হৈছে। শুৱালকুছিৰ লগতে মেঘালয়ৰ মাফলং আৰু মণিপুৰৰ এন্দ্ৰো নামৰ গাঁও দুখনে ঐতিহ্য শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰাৰ বিপৰীতে ত্ৰিপুৰাৰ আনপনা গ্ৰাম আৰু মিজোৰামৰ ছিয়ালচুক নামৰ গাঁও দুখনে সমূহীয়া ভিত্তিক পৰ্যটনৰ শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰিছে। আনহাতে মেঘালয়ৰ ওমডেন গাঁৱে শিল্প শিতানত স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

০০০

বাক্সা জিলাৰ বাহবাৰীত আজি অসম চৰকাৰ আৰু বিটিআৰ চৰকাৰৰ যুটীয়া উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ৰাজ্যিক ভিত্তিত বিশ্ব পৰ্যটন দিৱস উদযাপন কৰা হয়। পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বন্তি প্ৰজ্বলনেৰে মুকলি সভাৰ কাৰ্যসূচী শুভাৰম্ভ কৰা অনুষ্ঠানটিত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মানস ৰাষ্ট্ৰীয় উদ্যানক স্থানীয় ৰাইজৰ সহযোগত বছৰৰ বাৰ মাহে পৰ্যটকৰ বাবে খোলা ৰখাৰ চিন্তা কৰা বুলি মন্তব্য কৰাৰ লগতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই **পৰ্যটন আৰু শান্তি** এইবৰ্ষৰ পৰ্যটন দিৱসৰ মূল বিষয়বস্তু বুলি উল্লেখ কৰে। অনুষ্ঠানত বিধায়ক ফণিধৰ তালুকদাৰৰ উপৰি বিটিআৰৰ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

০০০

গুৱাহাটীৰ  বিশেষ ন্যায়াধীশৰ আদালতে আজি ধনৰ অবৈধ লেনদেন আইনৰ অধীনত ৰুজু হোৱা এটা গোচৰৰ ভিত্তিত ৫ জন ব্যৱসায়ীৰ বিৰুদ্ধে জামিনযোগ্য গ্ৰেপ্তাৰি পৰৱানা জাৰি কৰিছে। বিধি বলবৎকাৰী সৃঞ্চালকালয়ে নৰ্থ ইষ্ট কোল ফিল্ডৰ পৰা ৰাজ সাহায্যযুক্ত কয়লা সৰবৰাহত সংঘটিত অনিয়মক লৈ অভিযুক্ত কেইজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল। কিন্তু অনুমতি নোহোৱাকৈ তেওঁলোক অনুপস্থিত থকা বাবে আজি আদালতে কৈলাশ চন্দ্ৰ লোহিয়া, মহেন্দ্ৰ আগৰৱালা, ৰাম অৱতাৰ আগৰৱালা, বিজয় গাৰোদিয়া আৰু গীৰধাৰিলাল বাথোলাললৈ জামিনযোগ্য গ্ৰেপ্তাৰি পৰৱানা জাৰি কৰে।

০০০

অধ্যক্ষ ড০ অৰবিন্দ পানাগাৰীয়াৰ নেতৃত্বতত ষষ্ঠদশ বিত্ত আয়োগৰ এটা দলে আজি জাগীৰোডত অৱস্থিত টাটাৰ অৰ্ধপৰিবাহী ইউনিটৰ স্থান পৰিদৰ্শন কৰে। অঞ্চলটোৰ অৰ্ধপৰিবাহী উদ্যোগ সম্ভাৱনাৰ মূল্যায়নৰ লগতে ইয়াৰ বৃদ্ধিৰ সুবিধাৰ উপায় বিচাৰি উলিয়াবলৈ পৰা এই ভ্ৰমণত  দলটোৱে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশ তথা চাকৰি সৃষ্টিত অৰিহণা যোগোৱাৰ সম্ভাৱনাৰ দিশত আলোকপাত কৰে। লগতে প্ৰখ্যাত অৰ্থনীতিবিদ তথা নীতি আয়োগৰ প্ৰাক্তন উপাধ্যক্ষ ডাঃ পানাগাৰীয়াই অৰ্থনৈতিক অগ্ৰগতিৰ বাবে প্ৰযুক্তিৰ সহায় লোৱাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰে। দলটোৱে জিলা আয়ুক্ত তথা জ্যেষ্ঠ বিষয়াসকলৰ সৈতে আঞ্চলিক অৰ্থনৈতিক উন্নয়নৰ কৌশলৰ বিষয়ে আলোচনাত মিলিত হয়।

০০০

প্ৰেছ ইনফৰমেশ্বন ব্যুৰো, গুৱাহাটী তথা আহমেদাবাদৰ বিষয়াৰ নেতৃত্বত গুজৰাটৰ পৰা অহা সংবাদ মাধ্যমৰ এটা প্ৰতিনিধি দলে আজি যোৰহাটত লাচিত বৰফুকনৰ মুৰ্তি পৰিদৰ্শন কৰে। দলটোক শৰাইঘাটৰ যুদ্ধত লাচিত বৰফুকনৰ ৰণকৌশল, পৰাক্ৰম আৰু সাহস সন্দৰ্ভত  অৱগত কৰা হয়। উল্লেখযোগ্য যে চলিত বৰ্ষৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুৰ্তিটো উন্মোচন কৰিছিল।

৬ দিনীয়া কাৰ্যসূচীৰে অসমত উপস্থিত হোৱা সংবাদ মাধ্যমৰ দলটোত টিভি নাইন গুজৰাটী, নৱ গুজৰাট সময়কে ধৰি গুজৰাটৰ বিভিন্ন সংবাদ প্ৰতিষ্ঠানৰ প্ৰতিনিধি আছে।

০০০

গুৱাহাটীৰ পল্টনবজাৰত থকা সাই কেন্দ্ৰৰ ইন্দোৰ ষ্টেডিয়ামত চলি থকা আৰ ই চি মুকলি প্ৰতিভাসন্ধানী বক্সিং প্ৰতিযোগিতাত এতিয়ালৈকে অসমৰ ১৭ গৰাকী খেলুৱৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। বক্সিং ফেডাৰেশ্বন অৱ ইণ্ডিয়াৰ সহযোগিতাত অসম এমেছাৰ বক্সিং সন্থাই আয়োজন কৰা ল'ৰাৰ জুনিয়ৰ ৪৪ কিলোগ্ৰাম শাখাত অঞ্জু কুমাৰ সুমন আৰু প্ৰশান্ত ৰাজবংশীৰ লগতে ৪৮ কিলোগ্ৰাম মহম্মদ আফ্ৰুজুৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইফালে ছোৱালীৰ জুনিয়ৰ শাখাত ৪৪ কেজিত ৰংদ্ধা পাটগিৰি আৰু ৫৪ কিলোগ্ৰামত কুমকুম বৰাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।  আনহাতে চাব জুনিয়ৰ ছোৱালীৰ ৪০ কেজিত প্ৰিয়ংকা তথা ৪৩ কেজিত শ্ৰিয়া, শ্বিনি হাজৰিকা, ৰিয়া বড়ো আৰু দেৱিকা গোহাইয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ  বিপৰীতে লৰাৰ ছাব জুনিয়ৰ ৩৭ কেজিত অভি থাপা আৰু আহান থাপা, ৪০ কেজিত মহম্মদ জায়ান আহমেদ, ৪৩ কেজিত গৌৰাংগজ্যোতি দিহিংগিয়া আৰু চাইমন চেত্ৰী, ৪৪ কেজিত ৰজনি দাস তথা ৫২ কেজিত প্ৰশান্ত হাজৰিকাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে এই প্ৰতিযোগিতাত এলিট আৰু যুৱ শাখাৰ খেলসমূহ সুকলমে অনুষ্ঠিত হয়।

০০০০

নগাওঁ জিলাৰ কঠিয়াতলি গৰুবন্ধা মিকিৰগাওঁত আজি পুখুৰীত পৰি ৩ টি কণমাণিৰ মৃত্যু হয়। ঘৰ মছিবলৈ কোমল মাটি বিচাৰি পুখুৰীৰ দাঁতিলৈ যোৱা ৫ টি কণমানিৰ ৩ টি পিছলি পানীত পৰাত মৃত্যু হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ